আজিৰ দিনটোতে—

১৮৯০ত আমেৰিকাৰ কংগ্ৰেছৰ চিকুয়া ৰাষ্ট্ৰীয় উদ্যান স্থাপন।
১৯১৬ত দীনদয়াল উপাধ্যায়ৰ জন্ম।
১৯২০ত ভাৰতীয় গণিতজ্ঞ-অভিযন্তা সতীশ ধাৱনৰ জন্ম।
১৯৫৫ত ৰয়েল জৰ্ডানৰ বায়ুসেনা প্ৰতিষ্ঠা কৰা হয়।
১৯৬৮ত হলীউডৰ অভিনেতা ৱিল স্মিথৰ জন্ম।
১৯৮১ত বেলিজে ৰাষ্ট্ৰসংঘত যোগদান কৰে।


নিয়মীয়া বাৰ্তা

বুধবাৰ □ ৮ আহিন ১৯৪৬ শক □ ২৫ ছেপ্টেম্বৰ ২০২৪ চন □ VOL-14 □ NO-200 □ WEDNESDAY 25 SEPTEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1



J.R. COLLEGE C.C. LIBRARY, Dibrugarh Accession No...


## ডিএইচএছ কানৈ মহাবিদ্যালয়ত মননশীল বক্তৃতা প্ৰদান ড° সমুদ্ৰগুপ্ত কাশ্যপৰ

# নতুন প্ৰজন্মই চাহৰ ইতিহাস অধ্যয়ন কৰাত গুৰুত্ব



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** আধুনিক অসমৰ অৰ্থনৈতিক আৰু সামাজিক বিৱৰ্তনৰ কথা ভালদৰে জানিবলৈ হ'লে ৰাজ্যৰ নতুন প্ৰজন্মই অসমৰ চাহৰ ইতিহাস অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। এইক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে আগভাগ লৈ সকলো বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এলানি বিশেষ কাৰ্যসূচী হাতত ল'ব পাৰে। কালি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগে আয়োজন কৰা এটি অনুষ্ঠানত ভাষণ দি বিশিষ্ট সাংবাদিক, লেখক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপে এইদৰে কয়। 'অসমৰ চাহ ঃ আশ্চৰ্যজনক দুশ বছৰীয়া যাত্ৰা' শীৰ্ষক বিষয়ৰ ওপৰত মননশীল বক্তৃতা প্ৰদান কৰি কয়— অসমৰ সামগ্ৰিক আৰ্থ-সামাজিক উন্নয়নত আৰু ভাৰতবৰ্ষক ২০৪৭ চনৰ ভিতৰত বিশ্বৰ ভিতৰতে এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ অংশীদাৰ হ'বলৈ হ'লে অসমৰ নতুন প্ৰজন্মই হাইস্কুল আৰু মহাবিদ্যালয় পৰ্যায়তে অসমৰ যোৱা দুশ বছৰৰ আৰ্থ-সামাজিক ইতিহাস জানিবই লাগিব। আধুনিক অসমৰ বিৱৰ্তনৰ গুৰিতেই যিহেতু অসমত ব্ৰিটিছে চাহ আৱিষ্কাৰৰ ঘটনাটো সাঙোৰ খাই আছে, সেয়ে চাহ উদ্যোগৰ কাহিনীটো জানিলেহে অসমৰ যোৱা দুশ বছৰৰ সমাজ আৰু অৰ্থনীতিৰ বিষয়ে সম্যক ধাৰণা কৰিব পাৰিব বুলি ড° কাশ্যপে কয়। তেওঁ অলপতে লিখি সমাপ্ত কৰা অসমৰ চাহ শিল্পৰ দুশ বছৰীয়া ইতিহাস বিষয়ক গ্ৰন্থখনৰ বাবে কৰা গৱেষণাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি কয় যে এই অধ্যয়নকালত তেওঁ অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ কেইবাটাও পূৰ্বে চকুত নপৰা দিশ উন্মোচিত কৰিবলৈ সক্ষম হৈছে। অসমৰ কলা, বিজ্ঞান, বাণিজ্য, মেনেজমেণ্ট, ইঞ্জিনিয়াৰিং আদি সকলো শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে এই দিশবোৰ অধ্যয়ন কৰিলে নিজৰ নিজৰ বিদ্যাৰে অসমৰ উন্নয়নৰ হকে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱাত সহায়ক হ'ব বুলি ড° কাশ্যপে মত প্ৰকাশ কৰে। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণত অধ্যক্ষগৰাকীয়ে কয়— অসমত প্ৰায় এহেজাৰৰো অধিক সৰু-বৰ চাহ বাগিচা আছে। এই বাগিচাসমূহৰ কাষত থকা বহু যুৱক-যুৱতীয়ে কেনেকৈ চাহ উৎপাদন কৰে সেয়া জনাৰ প্ৰতি আগ্ৰহ প্ৰকাশ নকৰে। চাহ উৎপাদন কৰা কাৰখানাও দেখা বহুতৰ অভিজ্ঞতা নাথাকে। তেন্তে সেই বাগিচাসমূহত অসমীয়া যুৱক-যুৱতীয়ে উচ্চ পদ কেনেকৈ লাভ কৰিব বুলি উল্লেখ কৰে। অসমৰ অধিকাংশ বৃহৎ চাহ বাগিচাত অসমীয়া বিষয়াৰ অভাৱ হোৱাৰ ইও এটা কাৰণ বুলি তেওঁ উল্লেখ কৰে।